# NSD NEWS UNIT

AKASHVANI, GUWAHATI
0000000000

**Date : 24-09-2026**
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

*::::::::::::::::::::::::::::::::::::*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেৱাই জীৱনৰ প্ৰধান উদ্দেশ্য হোৱা উচিত বুলি প্ৰকাশ কৰিছে।

২। G4 ৰাষ্ট্ৰগোটৰ বৈদেশিক মন্ত্ৰীসকলে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সংস্কাৰ সাধনৰ বাবে মত পোষণ কৰিছে।

৩। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কাইলৈ বাংগালুৰুত প্ৰথমটো সেৱা উদ্ভাৱনী প্ৰত্যাহ্বান কাৰ্য্যসূচী মুকলি কৰিব।

৪। নতুন দিল্লীত অহা ১২ অক্টোবৰৰ পৰা ১৪ অক্টোবৰলৈ ব্ৰিকছ থিয়েটাৰ মহোৎসৱ অনুষ্ঠিত হ'ব।

*আৰু*

৫। এছিয়ান গেমছত ভাৰতে এটা সোণ, চাৰিটা ৰূপ আৰু আঠটা ব্ৰঞ্জসহ মুঠ ১৫ টা পদকেৰে তালিকাৰ ১৪ নম্বৰ স্থানত আছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেৱাই জীৱনৰ প্ৰধান উদ্দেশ্য হোৱা উচিত আৰু প্ৰতিগৰাকী ব্যক্তিয়ে সেৱাৰ মনোভাৱ গ্ৰহণ কৰা উচিত বুলি মন্তব্য কৰিছে। তেওঁ কয় যে ৰাজনৈতিক ক্ষেত্ৰত উচ্চ স্থানত উপনীত হোৱাৰ পাছতো নীতি আদৰ্শৰে সেৱাৰ মনোভাৱ অব্যাহত ৰখা দৰকাৰ। গুজৰাটৰ ৱাডনগৰৰ পৰা বাৰাণসীলৈ সেৱা যাত্ৰাত অংশগ্ৰহণকাৰী সকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে মত বিনিময় কৰি তেওঁ এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে **সেৱাই পৰম ধৰ্ম** কথাষাৰক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া উচিত।

**ৱাইট (পি এম)**

সেৱাক সৰ্বাধিক চালিকাশক্তি বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে পি এম কিষাণ আৰু পি এম সূৰ্যঘৰ যোজনাৰ দৰে অগণন আঁচনিসমূহে জনসাধাৰণৰ প্ৰতি আগবঢ়োৱা সেৱাৰ বাবে স্বীকৃতি লাভ কৰিছে।

তেওঁ কয় যে যেতিয়া দেশৰ নীতিত সেৱাৰ মনোভাৱ অন্তৰ্নিহিত হৈ থাকে তেতিয়া দেশৰ বিকাশত সেৱাই এটা বৃহৎ গতি লাভ কৰে। শ্ৰীমোদীয়ে কয় যে ইয়াৰ ফলত উদ্ভাৱনী আঁচনিসমূহৰ জৰিয়তে দেশৰ ২৫ কোটি জনসাধাৰণক দৰিদ্ৰতাৰ পৰা মুক্ত কৰা হৈছে। ৰাজনীতি, নিৰ্বাচন আৰু চৰকাৰী ব্যৱস্থাই নিজৰ স্থানত আছে। শ্ৰীমোদীয়ে কয় যে বিকশিত ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত দেশৰ জনসাধাৰণ সমৰ্পিত হৈ আছে। ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যত দেশৰ যুৱ প্ৰজন্মই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলিও তেওঁ কয়।

০০০০০০০০

ভাৰত, ব্ৰাজিল, জাৰ্মানী আৰু জাপান - G4 ৰাষ্ট্ৰগোটৰ বৈদেশিক মন্ত্ৰীসকলে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সংস্কাৰ সাধনৰ বাবে মত পোষণ কৰিছে। মন্ত্ৰী পৰ্যায়ৰ এটা যুটিয়া বিবৃতিত বৈদেশিক মন্ত্ৰীসকলে ৰাষ্ট্ৰসংঘৰ স্থায়ী আৰু অস্থায়ী সদস্য ৰাষ্ট্ৰৰ সংখ্যা বঢ়োৱাৰ পোষকতা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ, ব্ৰাজিলৰ মাঅ'ৰৌ ৱিয়েৰা, জাৰ্মানীৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী জৌহান ডেভিড ৱাডেফুল আৰু জাপানৰ বৈদেশিক মন্ত্ৰী ম'টেগি তৌশিমিত্সুৰ মাজত অনুষ্ঠিত এই বৈঠকত মন্ত্ৰীসকলে এই মত পোষণ কৰে। উল্লেখযোগ্য যে নিউয়ৰ্কত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ৮১ সংখ্যক বৈঠক অনুষ্ঠিত হৈছে।

মন্ত্ৰীসকলে কয়, যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ সংস্কাৰৰ প্ৰয়োজনীয়তা পূৰ্বতকৈ বৰ্তমান যথেষ্ট বৃদ্ধি পাইছে। বিশ্ব ৰাজনৈতিক পৰিৱেশৰ প্ৰত্যাহ্বানসমূহ বাঢ়ি যোৱাৰ সমান্তৰালভাৱে এই সংস্কাৰৰ প্ৰয়োজনীয়তাও আহি পৰিছে। তেওঁলোকে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ সংস্কাৰ সাধনৰ ক্ষেত্ৰত ৮০ সংখ্যক বৈঠকত লোৱা সিদ্ধান্তসমূহৰো পৰ্যালোচনা কৰে।

ooooo

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কাইলৈ বাংগালুৰুত প্ৰথমটো সেৱা উদ্ভাৱনী প্ৰত্যাহ্বান কাৰ্য্যসূচী মুকলি কৰিব। শিক্ষা মন্ত্ৰালয়ে কৈছে যে এই পদক্ষেপে যুৱক-যুৱতী সকলক তেওঁলোকৰ ওচৰ-পাজৰৰ সমস্যাসমূহ চিনাক্ত কৰাৰ লগতে এই সমস্যাসমূহৰ সমাধান বিকশাই তোলাৰ বাবে উৎসাহিত কৰিব। সমস্যাৰ সমাধান সমূহ পৰীক্ষা কৰাৰ লগতে উন্নত কৰি ফলপ্ৰসূভাৱে ৰূপায়ন কৰিব পৰা যাব। এই প্ৰত্যাহ্বানে বিদ্যালয়, উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান, পলিটেকনিক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক একগোট কৰিব। উল্লেখযোগ্য যে, এই প্ৰত্যাহ্বানে স্বচ্ছ আৰু বহনক্ষম ভাৰত, সমৃদ্ধ ভাৰত, স্বাস্থ্যবান আৰু সৰ্বাত্মক ভাৰত, শিক্ষিত-দক্ষ ভাৰত তথা সুৰক্ষিত ভাৰত এই পাঁচটা ৰাষ্ট্ৰীয় বিষয় বস্তুৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। অহা ডিচেম্বৰত চূড়ান্ত পৰ্য্যায়ৰ প্ৰতিযোগিতা ¯ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় শিক্ষামন্ত্ৰালয়, অখিল ভাৰতীয় প্ৰযুক্তি শিক্ষা পৰিষদ, বিশ্ববিদ্যালয় অনুদান আয়োগে যুটীয়াভাৱে এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

ooooo

নতুন দিল্লীত অহা ১২ অক্টোবৰৰ পৰা ১৪ অক্টোবৰলৈ ব্ৰিকছ থিয়েটাৰ মহোৎসৱ অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ে এই তিনিদিনীয়া মহোৎসৱৰ আয়োজন কৰিছে। নতুন দিল্লীত সাংবাদিকৰ হৈতে হোৱা কথা-বতৰাত সাংস্কৃতিক মন্ত্ৰালয় সচিব বিবেক আগৰৱালে কয় যে, যোৱা মাহত ব্ৰিকছ সাংস্কৃতিক মন্ত্ৰীসকলৰ বৈঠকত গ্ৰহণ কৰা ভূপাল ঘোষণা পত্ৰৰ অনুসৰি এই মহোৎসৱ আয়োজন কৰা হৈছে। তেওঁ কয় যে ভাৰত বাহিৰেও থাইলেণ্ড, ইন্দোনেচীয়া, ৰাছিয়া, ভিয়েটনাম, ইৰাণ, দক্ষিণ আফ্ৰিকা আৰু ইউথপিয়াই এই মহোৎসৱত অংশগ্ৰহণ কৰিব।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে.পি নড্ডাই কাইলৈ নতুন দিল্লীত হ'বলগীয়া চলিত বৰ্ষৰ আৰোগ্য মন্থন কাৰ্য্যসূচীত যোৱা আঠ বছৰত আয়ুষ্মান ভাৰত, প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আৰু যোৱা পাঁচবছৰৰ সময়ছোৱাত আয়ুষ্মান ভাৰত ডিজিটেল অভিযানৰ অধীনত হোৱা কাম-কাজ সন্দৰ্ভত আলোচনা কৰিব। এই কাৰ্যসূচীত সুনিশ্চিত স্বাস্থ্য আৰু ডিজিটেল স্বাস্থ্য সেৱাৰ প্ৰধান দিশসমূহৰ ওপৰত আলোকপাত কৰা হ'ব। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল মন্ত্ৰালয়ে কৈছে যে, আৰোগ্য মন্থন কাৰ্য্যসূচীত দেশৰ ডিজিটেল স্বাস্থ্যসেৱা

আৰু সুনিশ্চিত স্বাস্থ্যসেৱা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে বিভিন্ন পদক্ষেপ লোৱা হ'ব। ৰাষ্ট্ৰীয় স্বাস্থ্য সেৱা প্ৰদানকাৰীৰ পঞ্জীয়ন ম'বাইল এপ্লিকেচন এই পদক্ষেপ সমূহৰ অন্যতম। অনুষ্ঠানত আয়ুষ্মান ভাৰত, প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আৰু আয়ুষ্মান ভাৰত ডিজিটেল অভিযানৰ অধীনত উৎকৃষ্ট কাম-কাজৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক পুৰস্কৃত কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৮ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooooo

জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত এছিয়ান গেমছৰ ভাৰতৰ সৎনাম সিং আৰু চলমান খানে পুৰুষৰ নৌচালনাৰ স্কলছৰ ডাব্‌লছত ব্ৰঞ্জৰ পদক লাভ কৰিছে। ভাৰতীয় যুটিটোৱে এহেজাৰ ৫০০ মিটাৰলৈকে দ্বিতীয় স্থানত থাকে যদিও শেষৰ ৫০০ মিটাৰত তৃতীয় স্থানলৈ অৱনমিত হয়। ইয়াৰ পূৰ্বে সৎনাম সিঙে হাংঝৌ এছিয়ান গেমছত পুৰুষৰ কোৱাড্ৰপল স্কলছত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। এছিয়ান গেমছত মিক্স স্কিট্‌ৰ দলীয় শাখাত ভাৰতে এইবাৰ প্ৰথমবাৰৰ বাবে পদক লাভ কৰিবলৈ সক্ষম হৈছে।

ভাৰতৰ ৰ'ছিবীনা দেৱীয়ে এছিয়ান গেমছৰ উশুৰ মহিলাৰ ৬০ কিলোগ্ৰাম ওজন শাখাৰ ছান্দা শিতানত ৰূপৰ পদক অৰ্জন কৰিছে। ৰ'ছিবীনাই আজি ফাইনেলত চীনৰ ঝাংগ শ্বিয়াঅ'য়ুৰ হাতত ০-২ ফলাফলত পৰাজিত হয়। খেলুৱৈগৰাকীয়ে এছিয়ান গেমছৰ ইতিহাসত এইবাৰকে ধৰি ৩ টা পদক অৰ্জন কৰিছে। ৰ'ছিবীনাই ইয়াৰ পূৰ্বে ২০২৩ চনত অনুষ্ঠিত হাংঝৌ এছিয়ান গেমছত ৰূপৰ আৰু ২০১৮ চনত অনুষ্ঠিত জাকাৰ্টা-পালেমবাং এছিয়ান গেমছত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

পাৰবীনে মহিলাৰ ৬৫ কিলোগ্ৰাম শাখাৰ বক্সিঙৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কোৱাৰ্টাৰ ফাইনেলত খেলুৱৈ গৰাকীয়ে বিশ্ব বক্সিং প্ৰতিযোগিতাৰ ৰূপৰ পদক বিজয়ী উজবেকিস্থানৰ নভবাখৰ খামিদভাৰ বিৰুদ্ধে খেলিব। ইপিনে কমলৱেলথ গেমছৰ পদক বিজেতা সাক্ষী চৌধৰী প্ৰি-কোৱাৰ্টাৰ ফাইনেলত বিশ্ব চেম্পিয়ন আলুৱা বাল্কিবেকভাৰ হাতত পৰাস্ত হয়।

এথলেটিকছত জয় কুমাৰ, অংশাবাবু, মানু টি এছ আৰু ৰচদ্বীপ ক'ৰে পুৰুষৰ মিক্সড দলীয় শাখাৰ 4x400 ৰ ফাইনেলত প্ৰৱেশ কৰাৰ লগতে অনিমেশ ফুজুৰ আৰু গুৰিন্দৰ বীৰ সিঙে ১০০ মিটাৰৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতৰ পুৰুষ আৰু মহিলাৰ কাবাডী দলটো ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। স্কোৱাচত অভয় সিং আৰু বীৰ চোটৰানি পুৰুষৰ ছিংগলছত, তনভী খান্না আৰু অনাহট সিং মহিলাৰ ছিংগলছত, জোস্না ছিন্নপ্পা আৰু বেলাবন ছেনথিল কুমাৰে মিক্সড ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইপিনে টেবুল টেনিছত মানুষ সাহে পুৰুষৰ ছিংগলছত প্ৰৱেশ কৰাৰ লগতে শ্ৰীজা আকুলা আৰু

ছিনড্ৰেলা দাসে মহিলাৰ ছিংগলছত স্থান সুনিশ্চিত কৰিছে। প্ৰতিযোগিতাত ভাৰতে এটা সোণ, চাৰিটা ৰূপ আৰু আঠটা ব্ৰঞ্জৰ পদক সহ মুঠ ১৫ টা পদকেৰে তালিকাৰ ১৪ নম্বৰ স্থানত আছে।

ইপিনে, পুৰুষৰ ৰয়িঙৰ ডাবল স্কল্চত সৎনাম সিং আৰু ছলমান খানে ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখযোগ্য যে এছিয়ান গেমছত পুৰুষৰ ডাবল স্কল্চ শাখাত এইবাৰ ভাৰতে প্ৰথমবাৰৰ বাবে পদক দখল কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে খেলুৱৈ দুগৰাকীক তেওঁলোকৰ সফলতাৰ বাবে প্ৰশংসা কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে খেলুৱৈ সকলক তেওঁলোকৰ সফলতাৰ বাবে অভিনন্দন জনাইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত কয়, যে একেৰাহে এছিয়ান গেমছৰ তিনিটা সংস্কৰণত পদক অৰ্জন কৰিব পৰাটো সঁচাকৈ উল্লেখনীয় সাফল্য।

খেলুৱৈসকলৰ ধৈৰ্য, নিষ্ঠা, সংযম আৰু সমন্বয়ৰ প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এই সাফল্যই তেওঁলোকক অনাগত সময়ত আৰু উন্নত প্ৰদৰ্শন আগবঢ়াবলৈ প্ৰেৰণা যোগাব।

oooooo

**সমাপ্ত**